




# সুস্মিতা বেনাৰ্জীৰ হত্যাকাণ্ড

## নাৰীৰ সবলীকৰণ প্ৰক্ৰিয়াত আন এটি মোক্ষম আঘাত

মৌলবাদ | জিতুমণি পাঠক

তালিবানী শক্তিয়ে মহিলাৰ উত্থান তথা সবলীকৰণ প্ৰক্ৰিয়াক সততে পদদলিত কৰি অহাৰ নিদৰ্শন নতুন নহয়। মালালা ইউচুফজাইৰ ওপৰত চলোৱা প্ৰাণঘাতী আক্ৰমণৰ পিছত সমগ্ৰ বিশ্বজুৰি নিন্দিত হোৱাৰ পিছতো তেওঁলোকৰ ভণ্ড পুৰুষত্বৰ অহমিকাবোধৰ যে অকণো সাল-সলনি ঘটা নাই, তাৰে শেহতীয়া উদাহৰণ হ'ল সুস্মিতা বেনাৰ্জীৰ নাৰকীয় হত্যাকাণ্ড। আফগানিস্তানত তালিবানৰ নিষ্ঠুৰতাত পিষ্ট নাৰীসকলৰ বাবে সহমৰ্মিতাৰ হাত আগবঢ়োৱা এটি প্ৰতিবাদী কণ্ঠ পুনৰবাৰ স্তব্ধ হৈ গ'ল তালিবানী শক্তিৰ বুলেটৰ আঘাতত। মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত সফলতাৰ জয়ঢোল বজোৱা ৰাষ্ট্ৰপতি হামিদ কাৰজাইৰ সকলো তথ্য অসাৰ প্ৰতিপন্ন কৰি তালিবানী শক্তিয়ে যেন পুনৰ প্ৰতিপন্ন কৰিলে তেওঁলোকৰ প্ৰভাৱ থকা অঞ্চলৰ কোনো নাৰী পূৰ্বতেও সুৰক্ষিত নাছিল আৰু এতিয়াও নহয়। ঘৰৰ চাৰিবেৰ পাৰ কৰি ওলাই অহা সেই দুঃসাহসী নাৰীকো যোগ্য শাস্তি দিবলৈ তেওঁলোকৰ বুলেটবোৰ সদা সক্ষম। এনে এক বাৰ্তা বহন কৰিবলৈয়ে যেন তেওঁলোকে বৰ নিষ্ঠুৰভাৱে হত্যা কৰিলে এই বিশিষ্টা সমাজকৰ্মী, লেখিকা গৰাকীক।

সুস্মিতা বেনাৰ্জীৰ জীৱনটোৱেই আছিল পুৰুষৰ ঠগ-প্ৰৱঞ্চনা, নিষ্ঠুৰতাৰ স্বাক্ষৰ থকা এক দলিল স্বৰূপ। কলকাতাৰ যুৱতী সুস্মিতাই কলকাতাত থকা সময়ছোৱাতে আফগানিস্তানৰ যুৱক জাঁবাজ খানৰ সৈতে চিনাকি হৈছিল। এই চিনাকিয়ে এটা সময়ত দুয়োৰে হৃদয়ত প্ৰেমৰ উন্মেষ ঘটালে আৰু ১৯৮৮ চনৰ জুলাই মাহত এই অচিনাকি আফগান যুৱকৰ সৈতে সুস্মিতা বেনাৰ্জীয়ে বিবাহপাশত আবদ্ধ হ'ল। বিবাহপাশত আবদ্ধ হৈ সুস্মিতাই ইছলাম ধৰ্ম গ্ৰহণ কৰিলে আৰু নাম ল'লে চৈয়দা কামালা। সুস্মিতাৰ বিবাহ আছিল পৰিয়াল-পৰিজনৰ ইচ্ছাৰ বিৰুদ্ধে। সেয়েহে বিবাহৰ পিছতো দুয়োৰে মাজত বিবাহ বিচ্ছেদ ঘটাবলৈ প্ৰয়াস কৰি পৰিয়ালৰ তৰফৰপৰা সুস্মিতাৰ ওপৰত অহৰহ হেঁচা প্ৰয়োগ কৰা হ'ল। এৰিব নোৱাৰা, ধৰিব নোৱাৰা পৰিস্থিতিত যন্ত্ৰণাত পিষ্ট হৈ সুস্মিতাই এদিন সিদ্ধান্ত গ্ৰহণ কৰিলে কলকাতা এৰি যোৱাৰ। অচিনাকি আফগান যুৱক জাঁবাজ খানেই সেই সময়ত সকলো আশা-ভৰসাৰ স্থল। জাঁবাজ খানৰ সৈতে আফগানিস্তানত উপস্থিত হোৱাৰ পিছত সুস্মিতাৰ বাবে বৈ আছিল এক অকল্পনীয় বিস্ময়। তেওঁৰ পতি পূৰ্বে বিবাহিত তথা কেইবাটা সন্তানৰ পিতৃও। এই সম্পৰ্কে ঘুণাক্ষৰেও গম পোৱা নাছিল সুস্মিতাই। এনে এক অবাঞ্ছিত পৰিস্থিতিত মনৰ ভাৰসাম্য সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱাৰ পৰিৱৰ্তে দৃঢ়মনা সুস্মিতাৰ হৃদয় ক'ব নোৱাৰাকৈ তেওঁৰ পতিৰ প্ৰথমা পত্নীৰ প্ৰতি আৱেগত উথলি উঠিছিল। সেই অভাগীৰ প্ৰতি তেওঁৰ মনত উদ্ৰেক হৈছিল কৰুণাৰ। কিয়নো তায়ো আছিল তেওঁৰ দৰেই পুৰুষৰ এক প্ৰৱঞ্চনাৰ চিকাৰ। দুই দুঃস্থা নাৰীৰ হৃদয় মিলিত হৈছিল। সুস্মিতাই হাতত তুলি লৈছিল সতিনীৰ সন্তানক মানুহ কৰাৰ দায়িত্ব। তদুপৰি হৃদয়ত বৈ থকা মাতৃত্বৰ আকাংক্ষাক তুষ্ট কৰিবলৈ টিন্নি নামৰ এটি কন্যা সন্তানকো তেওঁৰ নিজৰ পালিত সন্তান হিচাপে গ্ৰহণ কৰিছিল।

এনেদৰেই এক অচিন মুলুকত আপোনজনৰপৰা দূৰত আৰম্ভ হৈছিল সুস্মিতাৰ চাৰিবেৰৰ কুঠৰীৰ ভিতৰত এক বন্দী জীৱন। সুস্মিতাৰ ভাষ্যত সেয়াও আছিল যথেষ্ট ভালেই, যেতিয়ালৈ তেওঁ সন্মুখীন হ'ব লগাত পৰা নাছিল তালিবানী ৰঙা চকুৰ। আফগানিস্তানত থকা সময়ছোৱাত তেওঁ তাৰ আনবোৰ নাৰীৰ দৰে নিজকে সম্পূৰ্ণৰূপে সাংসাৰিক কাম-কাজত নিমজ্জিত নকৰি সামাজিকভাৱে তেওঁ সক্ৰিয় হৈ উঠাৰ প্ৰয়াস কৰিছিল। সমাজৰ দুঃস্থা নাৰীসকলৰ বাবে তেওঁ আগবঢ়াইছিল সহমৰ্মিতাৰ হাত। ঘৰৰ ভিতৰতে এখন হাস্পতাল স্থাপন কৰি বহুতো অসহায়ক তেওঁ দিছিল জীয়াই থকাৰ ভৰসা। তালিবানী অপশাসনত কোনো দিনে নাৰীৰ স্বাধীনচিতীয়া মনোভাৱক সহনশীলতাৰ চকুৰে চোৱাৰ নিদৰ্শন নাই। সেয়েহে এগৰাকী নাৰীৰ এই সামাজিক প্ৰতিষ্ঠাই চকু পুৰিছিল তালিবানী শক্তিৰ আৰম্ভ হৈছিল নিৰন্তৰ ভাবুকি। আদেশ দিয়া হৈছিল তেওঁ পৰিচালনা কৰা সেই হাস্পতাল বন্ধ কৰি দিয়াৰ। সুস্মিতাৰ মানৱসেৱী মনটোক আঘাত হানিছিল তেওঁৰ প্ৰয়াসক 'এগৰাকী মহিলাৰ পুতৌজনক আদৰ্শ' বুলি বিদ্ৰূপৰে। এনেবোৰ ঘটনাক্ৰমে লাহে লাহে সুস্মিতাৰ মনত ৰোপিত কৰিছিল নিজ দেশলৈ উভতি অহাৰ বাসনা। বন্দিত্বৰ সময়ছোৱাকো অৰ্থপূৰ্ণ কৰি তুলিবলৈ সুস্মিতাই কৰা প্ৰয়াসত এইদৰে বাধাগ্ৰস্ত হৈ ১৯৯৪ চনত তেওঁ প্ৰথমবাৰ চেষ্টা কৰে নিজ দেশলৈ পলাই আহিবলৈ। সেই প্ৰয়াসত প্ৰথমে কাবুল, তাৰ পিছত ইছলামাবাদত উপস্থিত ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ কৰিবলৈ চেষ্টা কৰি থাকোতে ধৰা পৰে দেওৰেকৰ হাতত। দেওৰেক তালিবানৰ অনুগত আন কেইজনমানৰ সহায়ত ইছলামাবাদৰপৰা তেওঁক কাবুললৈ ওভোতাই লৈ যায়। পুনৰ তেওঁ বন্দী হৈ পৰে চাৰিবেৰৰ কুঠৰীৰ ভিতৰত। পাৰ্থক্য এয়েই— পূৰ্বতে ঘৰ-ঘৰুৱাৰ কাঢ়া নজৰ থকাৰ বিপৰীতে এইবাৰ তালিবানীৰ প্ৰত্যক্ষ হস্তক্ষেপত তেওঁ হৈ পৰে গৃহবন্দী। কিন্তু তেওঁৰ হৃদয়ত উভতি অহাৰ যি বাসনা এবাৰ প্ৰোথিত হ'ল, সেইয়া বাধা দিয়াৰ শক্তি যেন নাছিল স্বয়ং তালিবানী শক্তিৰো। ১৯৯৫ চনত সকলোৰে চকুত ধূলি মাৰি এক বিধ্বস্ত ৰূপেৰে আহি ভাৰতত উপস্থিত হ'লহি সুস্মিতা। দীৰ্ঘ বন্দিত্বৰ সেই ভয়াৱহ অভিজ্ঞতাক জনসাধাৰণক ব্যক্ত কৰিবলৈ হাতত তুলি ল'লে কলম। সৃষ্টি হ'ল 'কাবুলীৱালাৰ বাঙালী বৌ'— মানৱীয়তাৰ ক'লা ইতিহাসৰ এক নিৰ্মোহ দিনলিপি। প্ৰকাশৰ লগে লগে সুস্মিতা বেনাৰ্জীৰ এই গ্ৰন্থই সৃষ্টি কৰিলে ব্যাপক আলোড়নৰ। কম দিনৰ ভিতৰতে ই পৰিগণিত হ'ল 'বেষ্ট ছেলাৰ' হিচাপে। সুস্মিতাৰ জীৱনৰ এই ক'লা সময়ছোৱাৰ কাহিনীক লৈ বলীউডত নিৰ্মাণ হ'ল 'এছকেপ ফ্ৰম তালিবান' নামৰ ছবিখন। দীৰ্ঘদিনৰ নিৰ্যাতনেও হাৰ মনাব নোৱাৰা এই দৃঢ়মনা নাৰীগৰাকীৰ মনোবল হৈ পৰিল সমগ্ৰ নাৰী সমাজৰ বাবে এক আদৰ্শ স্বৰূপ। সুস্মিতা বেনাৰ্জীৰ কণ্ঠ হৈ পৰিল সমগ্ৰ দুঃস্থা নাৰীসকলৰ বাবে এক শক্তিশালী কণ্ঠ।

'কাবুলীৱালাৰ বাঙালী বৌ'-ৰেই স্তব্ধ হৈ যাব বিচৰা নাছিল সুস্মিতা বেনাৰ্জী। আপোন নহ'লেও দীৰ্ঘদিন ধৰি বাস কৰি অহা দেশখনৰ অসহায় নাৰীবোৰৰ মুখমণ্ডলবোৰে তেওঁক সততে ব্যথিত কৰি আহিছিল। তেওঁ অনুভৱ কৰিছিল কাবুলীৱালাই তেওঁৰ দায়বদ্ধতা শেষ কৰা নাই; বৰং ই তেওঁৰ ওপৰত জাপি দিছে দায়িত্বৰ অধিক ভাৰহে। সেয়েহে এইবাৰৰ ঈদ কলকাতাত উদ্‌যাপন কৰি নতুন কিতাপ এখনৰ পৰিকল্পনাৰে উৰা মাৰিছিল আফগানিস্তানলৈ, য'ত সক্ষম হৈ বৈ আছিল তেওঁৰ ঘাতক বাহিনী। তেওঁ হয়তো ভৰসা কৰিছিল তাত ঘটা ৰাজনৈতিক পৰিৱৰ্তনক, কাৰজাইৰ আশ্বাসক। তাতোকৈ মানৱৰ মানৱীয়তাকণক। কিন্তু তেওঁৰ সকলো আশা-ভৰসা মষিমুৰ হ'ল যোৱা চাৰি ছেপ্টেম্বৰ, বুধবাৰৰ নিশা এঘাৰ বজাত। নিশাৰ অন্ধকাৰত নিজৰ কাপুৰুষালি প্ৰদৰ্শন কৰিবলৈ সিদিনাখন তালিবানী ঘাতকৰ দলটো সোমাই আহিছিল সুস্মিতাৰ পতিগৃহলৈ। স্বামী আৰু আনসকলক ৰছীৰে বান্ধি ৰাখি, চোঁচৰাই উলিয়াই অনা হৈছিল সুস্মিতাক বাহিৰলৈ। তাৰ পিছত অতি ওচৰৰ দূৰত্বৰ পৰা বুলেটেৰে আঘাত হানিছিল এটি প্ৰতিবাদী কণ্ঠৰ ওপৰত। যদিও সেই আঘাতত ঢলি পৰিছিল সুস্মিতা বেনাৰ্জী নামৰ এগৰাকী শক্তিশালী নাৰী, কিন্তু প্ৰকৃততে যেন শিৰ নত কৰিছিল বুলেটৰ শক্তিয়ে কলমৰ শক্তিৰ ওচৰত। সুস্মিতা বেনাৰ্জীৰ কলমৰ শক্তিয়ে কম্পন তুলিছিল তালিবানী শক্তিৰ কাঠামোত।

তেওঁলোকৰ অপশাসনৰ অধিক ছবি যাতে বিশ্ব সমাজত উন্মোচিত নহয়, তাৰ বাবেই অতি শীতল মস্তিষ্কৰে হত্যা কৰা হ'ল সুস্মিতা বেনাৰ্জীক।

